
NAAC ACCREDITED 'A' GRADE COLLEGE
AFFILIATED TO DIBRUGARH UNIVERSITY
ISO-9001 : 2015

CENTRE OF EXCELLENCE
AS DECLARED BY UN-RC, NER
Clean College || Green College
Green Audited College
Best Discipline Awardee College
Tobacco Free Institute

# ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়

## ছাত্ৰ একতা সভাৰ উদ্যোগত

# হাচান ছৰিফ আহমদ সমন্বয় বঁটা



## বঁটাপ্ৰাপক

## শ্ৰীযুত জয়ন্ত বৰুৱা

বিশিষ্ট প্ৰকাশক, সাংবাদিক, সাদিন প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ
সম্পাদক, অসমীয়া প্ৰতিদিন কাকত, বিশিষ্ট সমাজকৰ্মী

তাৰিখ ঃ ২০ জানুৱাৰী, ২০২৫ খ্ৰীষ্টাব্দ (সোমবাৰ)
সময় ঃ পুৱা ১০-০০ বজা
স্থান ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সভাকক্ষ, ডি.হ.সু. কানৈ মহাবিদ্যালয়

## সংক্ষেপে হাছান ছৰিফ আহমদ ঃ



শৰাইঘটীয়া বীৰ ইচমাইল চিদ্দিকি ওৰফে বাঘ হাজৰিকাৰ একাদশ প্ৰজন্মৰ উত্তৰপুৰুষ হাছান ছৰিফ আহমদৰ জন্ম ১৯৩৩ চনৰ ১৩ জুলাইত। পিতৃ শিক্ষাবিদ দিয়ান উদ্দিন আহমদ। মাতৃ চালেহা চুলতানা আছিল আহোম যুগৰ প্ৰখ্যাত ফাৰ্চীপৰীয়া বংশৰ।

হাছান ছৰিফ আহমদে শিল্পী জীৱনৰ পাতনি মেলিছিল তেজপুৰৰ ঐতিহ্যমণ্ডিত 'বাণ মঞ্চ'ত গীত পৰিৱেশন কৰি ১১ বছৰ বয়সতে। ১৪ বছৰ বয়সত ডিব্ৰুগড়ৰ 'আমোলাপট্টি নাট্য মন্দিৰত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ 'ৰূপকোঁৱৰ' নাটকত নামভূমিকাত অভিনয় কৰাৰ লগতে ৰূপকোঁৱৰৰে পৰিচালনাত নাটকৰ এটি গীত 'জানো জানো জানো! বিফলে নেযায় মোৰ গানো' ৰূপকোঁৱৰে তেখেতক নিজে শিকাই গোৱাইছিল। তাতে তেখেতৰ অভিনয় জীৱনৰো উন্মেষ ঘটিছিল। ১৯৫০ চনৰ বৰ ভূঁইকঁপৰ কালচোৱাত 'ভাৰতীয় গণনাট্য সংঘ'ৰ শিল্পী সকলৰ সতে 'সুৰ বাহিনী' গঠন কৰি তাৰ নেতৃত্ব লৈছিল। সেয়া আছিল অসমত 'সুৰ বাহিনী'ৰ আদিতম ইতিহাস। ১৯৫৩ চনত সক্ৰিয় সদস্যৰূপে S F I (Students' Federation of (India)ত অংশ গ্ৰহণ, ১৯৫৭ চনত গঠিত 'ডিব্ৰুগড় ছাত্ৰছাত্ৰী কৰ্ম পৰিষদৰ'ৰ উপ সভাপতিৰ দায়িত্ব বহন আৰু '৫৭ বৰ্ষতেই বিনা প্ৰতিদ্বন্দ্বিতাৰে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পদ অলংকৃত কৰা কাৰ্যই তেখেতক এগৰাকী সফল যুৱনেতা ৰূপেও চিহ্নিত কৰে। '৫৭ চনতেই কানৈ মহাবিদ্যালয়ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে তেখেতৰ উদ্যোগতে শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰছাত্ৰীৰ সন্মিলিত অভিনয়েৰে মঞ্চস্থ হৈছিল এখনি নাট 'টেক্সি ড্ৰাইভাৰ'। '৫৭ চনৰ 'তেল শোধনাগাৰ আন্দোলন, '৬০ৰ 'ভাষা আন্দোলন'ৰ পৰা জুয়ে পোৱা তিৰাশীৰ অসম আন্দোলনৰ ভৰপকতো তেখেতে গীতে-মাতে সক্ৰিয় ভূমিকা পালন কৰিছিল। ১৯৫৭ চনত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ সতে ডিব্ৰুগড়ত তেখেতে প্ৰতিষ্ঠা কৰে সামাজিক-সাংস্কৃতিক অনুষ্ঠান "মঞ্চৰূপা"। '৫৯ চনত ডিব্ৰুগড়ত প্ৰতিষ্ঠা লাভ কৰা 'অসম নাট্য সন্মিলন'ৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল হাছান ছৰিফ আহমদ। প্ৰতিষ্ঠাপক সভাপতি আছিল কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা। '৬৭ চনত নিজা চিন্তা আৰু সক্ৰিয় উদ্যোগ তথা সম্পাদকৰ দায়িত্বৰে পোন প্ৰথমবাৰলৈ অনুষ্ঠিত কৰিছিল 'অসম আৰ্টিষ্ট মীট'। '৭৪ চনত 'মঞ্চৰূপা'ৰ প্ৰযোজনাত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ প্ৰথমখন নাট 'হে' যুদ্ধ বিদায়'ৰ তেখেত আছিল এগৰাকী পৰিচালক। '৮১ চনত উজনি অসমত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত 'অসমীয়া বোলছবি মহোৎসৱ' উদযাপন সমিতিৰ সভাপতিৰ গুৰুভাৰ বহন কৰিছিল হাছান ছৰিফ আহমদে। '৯৮ চনত শিল্পী পেঞ্চন আৰু ২০১১ চনত অসম চৰকাৰে তেখেতলৈ প্ৰদান কৰিছিল 'নটসূৰ্য্য ফণী শৰ্মা বঁটা'। তেখেতে ৰচনা কৰা গীত ড° ভূপেন হাজৰিকা, পুলক বেনাৰ্জীৰ পৰা জংকী বৰঠাকুৰৰলৈকে বহু ন পুৰণি শিল্পীয়ে বিভিন্ন মাধ্যম যোগে পৰিৱেশন তথা বাণীবদ্ধ কৰিছে। নাট্যকাৰ, অভিনেতা ৰূপে ওৰেটো জীৱন সমাজৰ মাজত শান্তি, সম্প্ৰীতি আৰু প্ৰগতিৰ হকে সংগ্ৰাম কৰা 'সম্প্ৰীতি মধুকৰ' হাচান ছৰিফ আহমদে জীৱনকালত বহু মনিষীৰ সান্নিধ্য লাভ কৰিছিল। জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, ফণী শৰ্মা, পাৰ্বতি প্ৰসাদ বৰুৱা, শিৱ প্ৰসাদ ভট্টাচাৰ্য্য, হেমাঙ্গ বিশ্বাস, চৈয়দ আব্দুল মালিক, পদ্মধৰ চলিহা, মঘাই ওজা, নৰহৰি বুঢ়াভকত, পৰাগধৰ চলিহা, ব্ৰজেন বৰুৱা, কেশৱ মহন্ত, নগেন কাকতি, ভৰত বৰপূজাৰী আদিৰ সান্নিধ্যৰ বিপৰীতে ড° ভূপেন হাজৰিকা আছিল অন্যতম ঘনিষ্ঠ সতীৰ্থ। ১৯৯২ চনত বাণীবদ্ধ কৰা হাচান ছৰিফ আহমদ ৰচিত গীতটিয়েই আছিল সুধাকণ্ঠৰ জীৱনৰ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত বাণীবদ্ধ কৰা শেষৰটি গীত। ২০১৯ চনৰ ৮ ছেপ্তেম্বৰত সুধাকণ্ঠৰ ওপজা দিনতে হাচান ছৰিফ আহমদদেৱৰ সৰল অথচ বৰ্ণাঢ্য জীৱন-নাটৰ যৱনিকা পৰিল। ৮৭ বছৰ বয়সতো তেখেতৰ কলম থমকি ৰোৱা নাছিল। জগতগুৰু শ্ৰীমন্তশঙ্কৰদেৱৰ জীৱনভিত্তিক এটি আপুৰুগীয়া লেখনি অসম্পূৰ্ণ ৰূপত জীৱনৰ শেষ কৃতি ৰূপে আমালৈ এৰিথৈ গ'ল।

## সংক্ষেপে জয়ন্ত বৰুৱা ঃ



অসমৰ সংবাদ আৰু সমাজ জীৱনৰ এক উল্লেখযোগ্য নাম- জয়ন্ত বৰুৱা। জাতীয় চেতনা আৰু দায়বদ্ধতাৰে ছাত্ৰ জীৱনৰ পৰাই বিজ্ঞানৰ স্নাতক বৰুৱাই জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰে জড়িত হৈ বিদেশী বিতাড়ন আন্দোলনত সক্ৰিয় ভূমিকা পালন কৰিছিল। কিন্তু অসম চুক্তিৰ পৰৱৰ্তী সময়ত গঠিত অসম গণ পৰিষদ দলৰ চৰকাৰৰ অংশীদাৰ অথবা আন ব্যৱসায়ৰে জড়িত নহৈ গণতন্ত্ৰৰ অতন্দ্ৰ প্ৰহৰী হিচাপে সংবাদ ক্ষেত্ৰত প্ৰৱেশ কৰে।

আজোককা হেমচন্দ্ৰ বৰুৱা প্ৰণিত 'হেমকোষ'ৰ ধাৰাবাহিকতা অব্যাহত ৰখাৰ বাবে তেওঁৰ পিতৃ 'হেমকোষপ্ৰাণ' দেৱানন্দ বৰুৱাই চৰকাৰী বিষয়াৰ চাকৰি ত্যাগ কৰি অসমীয়া ভাষা- সাহিত্যৰ প্ৰসাৰ- প্ৰচাৰত মনোনিৱেশ কৰিছিল। কেৱল সেয়েই নহয়, হেমচন্দ্ৰ বৰুৱাৰ আদৰ্শ অনুসৰণৰ বাবে পুত্ৰ জয়ন্ত বৰুৱাকো তেওঁ প্ৰেৰণা যোগাইছিল।

সেই সূত্ৰেই অসমৰ সংবাদ ক্ষেত্ৰৰ পিতামহস্বৰূপ, প্ৰখ্যাত সাংবাদিক তিলক হাজৰিকাক অভিভাৱক হিচাপে লৈ তেওঁ ১৯৮৯ চনত আৰম্ভ কৰে সাপ্তাহিক কাকত 'সাদিন'। তাৰ পৰৱৰ্তী সময়ত দৈনিক কাকত 'অসমীয়া প্ৰতিদিন' প্ৰকাশ কৰে ১৯৯৫ চনত।

উত্তৰ-পূবৰ সংবাদ ক্ষেত্ৰৰে জড়িত এক উল্লেখযোগ্য নাম এতিয়া জয়ন্ত বৰুৱা। ছপা মাধ্যম, ইলেক্ট্ৰনিক মাধ্যম, সাপ্তাহিক কাকত, সাহিত্য আলোচনী, নাৰী বিষয়ক আলোচনীৰ পৰা আৰম্ভ কৰি অসমৰ বাতৰি কাকতৰ প্ৰথমটো ডিজিটেল সংস্কৰণৰ লৈকে এটা সংবাদ গোষ্ঠীয়ে নিষ্ঠা আৰু দায়িত্বসহকাৰে দায়িত্ব পালন কৰিছে। এয়া সম্ভৱ হৈ উঠিছে কেৱল এই গৰাকী বিশেষ ব্যক্তিৰ বাবে। বৰ্তমান সাদিন-প্ৰতিদিন গোষ্ঠী উত্তৰ-পূব ভাৰতৰ আটাইতকৈ সুপ্ৰতিষ্ঠিত আৰু প্ৰভাৱশালী সংবাদ গোষ্ঠী।

জাতীয়তাবাদী চিন্তা-চৰ্চাৰে আগবাঢ়ি যোৱা জয়ন্ত বৰুৱাই জাতীয় সমস্যাক লৈ কোনোদিনে আপোচ কৰা নাছিল। জাতিৰ সংকটৰ সময়ত তেওঁ এই কাকতখনৰ জৰিয়তে এক মঞ্চ তৈয়াৰ কৰি জাতিটোৰ বাবে এই সংবাদ গোষ্ঠীৰ জৰিয়তে তেওঁ জাতীয় সত্তাক শক্তিশালী ৰূপত গঢ়ি তুলিছে।

জাতীয় চেতনাৰ প্ৰতি থকা তেওঁৰ তীব্ৰ টান প্ৰতিফলিত হৈছিল 'অসমীয়া প্ৰতিদিন'ত। পৰৱৰ্তী সময়ত তেওঁ এই সংবাদ গোষ্ঠীৰ পৰাই মহিলা বিষয়ক আলোচনী 'নন্দিনী' প্ৰকাশ কৰে। এইখন এনে এখন আলোচনী য'ত শেহতীয়া ফেশ্বন ডিজাইনৰ পৰা নাৰী বিষয়ক গুৰুত্বপূৰ্ণ বিষয়বোৰ সামৰি লয়। একেদৰে অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি থকা দায়ৱদ্ধতাৰ বাবেই জয়ন্ত বৰুৱাই সাদিন-প্ৰতিদিন গোষ্ঠীৰ পৰা প্ৰকাশ কৰি উলিয়াই 'সাতসৰী'ৰ দৰে সাহিত্য বিষয়ক আলোচনী।

ব্যৱসায়িক লাভালাভৰ কথা চিন্তা নকৰি, ভাষা-সংস্কৃতি চৰ্চাৰ বাবে তৰুণ প্ৰজন্মই যাতে এক উচ্চমান সম্পন্ন প্লেটফৰ্ম লাভ কৰে, তাৰ বাবেই সাদিন-প্ৰতিদিন গোষ্ঠীয়ে প্ৰকাশ কৰিছিল এই সাহিত্য আলোচনীখন। সাহিত্য, সংস্কৃতি আৰু জাতীয় জীৱনক অগ্ৰাধিকাৰ দি একেই নিষ্ঠাৰে পৰৱৰ্তী সময়ত জয়ন্ত বৰুৱাই ইলেক্ট্ৰনিক সংবাদ মাধ্যমৰ ক্ষেত্ৰখনতো ভৰি থয়। অসমৰ অন্যতম সু-ৰুচিপূৰ্ণ বাতৰি চেনেলৰূপে ৰাষ্ট্ৰীয় পৰ্যায়তো স্বীকৃতি লাভ কৰা 'প্ৰতিদিন টাইম' তেওঁৰেই চিন্তাৰ ফচল।

একেদৰে ৰাষ্ট্ৰীয় আন সংবাদ মাধ্যমসমূহে সংবাদমাধ্যমৰ ধাৰাৰ প্ৰতি লক্ষ্য ৰাখি ডিজিটেল সংস্কৰণত মনোনিবেশ কৰে। সেই চিন্তা আৰু পৰিকল্পিত দূৰদৰ্শী সিদ্ধান্তৰে জয়ন্ত বৰুৱাই উত্তৰ-পূবৰ ভিতৰত সৰ্বাধিক প্ৰচলিত দৈনিক বাতৰিকাকত 'অসমীয়া প্ৰতিদিন'ৰো ডিজিটেল সংস্কৰণৰো ব্যৱস্থা কৰে। এই দিশত অসমীয়া প্ৰতিদিনৰ ডিজিটেল সংস্কৰণ উত্তৰ-পূবৰ বাতৰি কাকতসমূহৰ বাবে বাটকটীয়া।

সংবাদমাধ্যমৰ প্ৰায়বোৰ ক্ষেত্ৰতে সফলতাৰে আগবাঢ়ি যোৱা জয়ন্ত বৰুৱা এজন সমাজমুখী ব্যক্তি। তেওঁৰ জন্ম হৈছিল ১৯৫৮ চনৰ ৯ আগষ্টত। জয়ন্ত বৰুৱাই কেৱল সংবাদ মাধ্যমৰে জড়িত হৈ সমাজ, সংস্কৃতিৰ প্ৰতি সচেতনতাৰে দায়িত্ব পালন কৰাৰ বাবেই তেওঁক ২০১৭চনত প্ৰদান কৰা হৈছিল 'বীৰ লাচিত' সন্মান। তেখেতৰ সম্পাদনা আৰু ৩ গৰাকী ভাষা বিশেষজ্ঞৰ সহযোগত প্ৰকাশ কৰা হৈছিল 'হেমকোষ'ৰ বৰ্ধিত পঞ্চদশ সংস্কৰণ। হেমকোষৰ চতুৰ্দশ সংস্কৰণৰ ব্ৰেইল সংস্কৰণ প্ৰকাশ কৰা মূল মানুহজন আছিল জয়ন্ত বৰুৱা। এই সংস্কৰণে গীনিজ ৱৰ্ল্ড ৰেক'ৰ্ডছত স্থান লাভ কৰি বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হৈছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে তেখেতৰ এই উদ্যোগৰ কথা বিশেষভাৱে উল্লেখ কৰিছিল মন কি বাতত। দৃষ্টিহীনসকলৰ বাবে জয়ন্ত বৰুৱাৰ উদ্যোগতে অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণৰো ব্ৰেইল সংস্কৰণ প্ৰকাশ কৰা হয়। লক্ষ্যণীয় যে এই ব্ৰেইল সংস্কৰণ আৰু ব্ৰেইল ব্যাকৰণৰ সংস্কৰণ বিনামূল্যে অসমৰ সমূহ দৃষ্টিহীন বিদ্যালয় আৰু উল্লেখযোগ্য শিক্ষা প্ৰতিষ্ঠানৰ লগতে ৰাষ্ট্ৰীয় পুথিভঁৰাল লৈ দান কৰিছিল।

তেখেতে বহু সামাজিক কামৰ নেতৃত্ব গ্ৰহণ কৰি আহিছে। তাৰ ভিতৰত উল্লেখযোগ্য কিছু হ'ল —

- দেৱানন্দ বৰুৱাই সম্পাদনা কৰা হেমকোষৰ বৰ্ধিত সংস্কৰণ প্ৰকাশ আৰু হেমচন্দ্ৰ বৰুৱা জাতীয় ন্যাস গঠন।
- হেমচন্দ্ৰ বৰুৱাৰ নামত বঁটা প্ৰৱৰ্তন। ৰাজ্যৰ এগৰাকী বিশিষ্ট সাহিত্যিক, ভাষাবিদক দুবছৰৰ মূৰে মূৰে প্ৰদান কৰা এই বঁটাত আছে নগদ চ লাখ টকা।
- হেমচন্দ্ৰ বৰুৱাৰ নামত মহানগৰীত হেমচন্দ্ৰ বিদ্যা মন্দিৰ শ্চউচ্চ মাধ্যমিকগ্ন বিদ্যালয়লৈ নিয়মীয়া বিত্তীয় সাহায্য প্ৰদান।

- ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি আৰু উদ্যান গুৱাহাটী বিশ্ববিদ্যালয়ত স্থাপন।
- অসম সাহিত্য সভা জাতীয় ন্যাসৰ আহ্বায়কৰূপে ১ কোটি টকা ন্যাস পুঁজি সংগ্ৰহ।
- অসম সাহিত্য সভাই প্ৰদান কৰা ইতিহাস খণ্ড বিশ্বকোষ বিনামূলীয়াকৈ প্ৰকাশ কৰি অতি কম মূল্যত ইয়াক উপলব্ধ কৰিছিল জয়ন্ত বৰুৱাই।
- বানপানী, প্ৰাকৃতিক দুৰ্যোগ, গোষ্ঠীগত সংঘৰ্ষৰ সময়ত আৰ্তজনলৈ সাদিন-প্ৰতিদিন গোষ্ঠীৰ জৰিয়তে সহায়ৰ হাত আগবঢ়াই আহিছে জয়ন্ত বৰুৱাই।
- বিভিন্ন মঠ, মন্দিৰ, সত্ৰৰ সৈতে জড়িত হৈ সাংস্কৃতিক দিশত তেওঁ আগবঢ়াইছে যথেষ্ট অৱদান।
- গোলাঘাট নগৰত হেমচন্দ্ৰ বৰুৱাৰ পূৰ্ণ অৱয়ব ব্ৰঞ্জৰ প্ৰতিমূৰ্তি আৰু উদ্যান স্থাপন।
- সাদিন-প্ৰতিদিন গোষ্ঠীৰ জৰিয়তে কেইবা শতাধিক লোকক আত্ম সংস্থাপন।
- জাতীয় সংকটৰ সময়ত সাদিন-প্ৰতিদিন গোষ্ঠীৰ জৰিয়তে ৰাজ্যবাসীৰ সন্মুখত থিয় দিয়াৰ লগতে এই সংবাদ মাধ্যমৰ দ্বাৰাই জনমত গঠন।
- জাতি-জনগোষ্ঠীৰ ভাষা-সংস্কৃতি বিকাশৰ বাবে এই সংবাদ প্ৰতিষ্ঠানৰ জৰিয়তে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন।
- অসম নাট্য সন্মিলনৰ ইতিহাসক লৈ ৰচিত গ্ৰন্থ প্ৰকাশৰ দায়িত্ব গ্ৰহণ।
- তেওঁৰ দ্বাৰা পৰিচালিত সাদিন-প্ৰতিদিন গোষ্ঠীয়ে প্ৰৱৰ্তন কৰে সাদিন-প্ৰতিদিন এছিভাৰ্ছ এৱাৰ্ড।
- ডিব্ৰুগড় বিশ্ববিদ্যালয়ত হেমচন্দ্ৰ বৰুৱাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি আৰু উদ্যান স্থাপন।
- দেৰগাঁও সাহিত্য সভা কাৰ্যালয় আৰু শিৱসাগৰ নগৰত হেমচন্দ্ৰ বৰুৱাৰ উদ্যান স্থাপন।
- উত্তৰ- পূবৰ সমস্যাৱাজি সন্দৰ্ভত আলোচনা আৰু সমাধানৰ অৰ্থে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সাদিন- প্ৰতিদিন গোষ্ঠীৰ জৰিয়তে প্ৰতিবছৰে প্ৰতিদিন সংবাদ গোষ্ঠীৰ 'দ্যা-কনক্লেভ' আয়োজন।
- অসমৰ নামঘৰসমূহৰ পৰিচয় বিষয়ক আউনীআটী সত্ৰৰ উদ্যোগত প্ৰকাশিত 'নামঘৰৰ চমু ইতিহাস' নামৰ গ্ৰন্থ প্ৰকাশৰ ব্যয় বহন।




# হাচান ছৰিফ আহমদ বঁটাপ্ৰাপকসকল

## ২০২০ চন



কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া

অধ্যক্ষ, ডিব্ৰুগড় হনুমাবক্স সুৰজমল কানৈ মহাবিদ্যালয়

সু-লেখক, সুবক্তা, সমাজসেৱক

## ২০২১ চন



ড° যোগেন চন্দ্ৰ কলিতা

মুৰব্বী অধ্যাপক, প্ৰানী বিজ্ঞান বিভাগ আৰু

বিজ্ঞান গুৰু, গুৱাহাটী বিশ্ববিদ্যালয়